কৰ্ম মোৰ সংস্কৃতি

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☎: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/০৫/২০২৩-২৪
Ref :

তাৰিখ : ০৫-০৬-২০২৩
Date :

## অসম জাতীয় বিদ্যালয়ত মহাপুৰুষ দিৱস পালন

**নুনমাটি, গুৱাহাটী, ৫ জুন ঃ** মহাপুৰুষ মাধৱদেৱৰ আবিৰ্ভাৱ তিথিৰ সৈতে সংগতি ৰাখি আজি অসম জাতীয় বিদ্যালয়ত মহাপুৰুষ দিৱস পালন কৰা হয়। বিদ্যালয়ৰ কম্পিউটাৰ বিভাগৰ শিক্ষয়িত্ৰী জিৰি বৰ্মনে অনুষ্ঠানৰ আৰম্ভণি ঘোষণা কৰাৰ পাছত এটি দলীয় বৰগীত পৰিৱেশন কৰা হয়। আজিৰ এই অনুষ্ঠানত দিৱসৰ তাৎপৰ্য্য ব্যাখ্যা কৰে বিদ্যালয়ৰ দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থী ৰিয়াশ্ৰী শৰ্মাই। বিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষয়িত্ৰী কবিতা পাটগিৰিয়ে ‘শংকৰদেৱৰ সমাজ সংস্কাৰ আন্দোলন আৰু ইয়াৰ বিভিন্ন দিশ’ সম্পৰ্কে বক্তৃতা প্ৰদান কৰি মহাপুৰুষ জনাক কেৱল ধৰ্মপ্ৰচাৰকৰ আসনত নাৰাখি এগৰাকী সমাজ বিজ্ঞানী, বিপ্লৱী, দাৰ্শনিক হিচাপে বিচাৰ কৰি তেওঁৰ চিন্তা আৰু আদৰ্শৰে শিক্ষাৰ্থীসকলক আগবাঢ়ি যাবলৈ আহ্বান জনায়। দিৱসৰ সৈতে সংগতি ৰাখি বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ মাজত আয়োজন কৰা ৰচনা প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহো এই অনুষ্ঠানতে প্ৰদান কৰা হয়। ‘ক’ শাখাত (বিষয়- অসমৰ সমাজ-সংস্কৃতিলৈ শংকৰদেৱৰ অৱদান) প্ৰথম পুৰস্কাৰ লাভ কৰে অষ্টম শ্ৰেণীৰ স্বৰগম তালুকদাৰে। দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে ক্ৰমে অষ্টম শ্ৰেণীৰ হিতাৰ্থ কাশ্যপ আৰু কপিল ৰঞ্জন বৰাই। ‘খ’ শাখাত (বিষয়- অসমৰ সমাজ জীৱনত নামঘৰৰ ভূমিকা) প্ৰথম পুৰস্কাৰ লাভ কৰে দশম শ্ৰেণীৰ শিক্ষাৰ্থী সাক্ষী প্ৰিয়ম্বদাই। দ্বিতীয় পুৰস্কাৰ লাভ কৰে নৱম শ্ৰেণীৰ প্ৰজ্বলিতা বৰাই। তৃতীয় পুৰ স্কাৰ যুটীয়াভাৱে লাভ কৰে নৱম শ্ৰেণীৰ শিক্ষাৰ্থী বিভাষ তালুকদাৰ আৰু ঋতুমল্লিকা গোস্বামীয়ে। পুৰস্কাৰ প্ৰাপ্ত ৰচনাৰ কিয়দংশ পাঠ কৰে বিদ্যালয়ৰ দশম শ্ৰেণীৰ শিক্ষাৰ্থী প্ৰাৰ্থনা শৰ্মা আৰু ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থী অহিৰণ অন্তৰীপে। বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থী অভিৰূপ আকাশ শাণ্ডিল্যই ‘মোৰ দৃষ্টিৰে শংকৰদেৱ’ আৰু দশম শ্ৰেণীৰ শিক্ষাৰ্থী জিয়া ভাৰ্গৱে ‘শংকৰ-মাধৱৰ মহামিলন’ শীৰ্ষক বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে দশাৱতাৰ নৃত্য আৰু খোলবাদন পৰিৱেশন কৰাৰ লগতে সপ্তম শ্ৰেণীৰ শিক্ষাৰ্থী নিষ্ঠা বৰগোহাঁয়ে বৰগীত পৰিৱেশন কৰে। অনুষ্ঠানত বিদ্যালয়ৰ একাংশ শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীয়ে নাম-প্ৰসংগ পৰিৱেশন কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ বিজ্ঞান বিভাগৰ শিক্ষক মিথুন ডেকাই। আজিৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থী তেজাপ্ৰজ্ঞী দিহিঙীয়া আৰু দেবাংগ কলিতাই। মহাপুৰুষ দিৱসৰ আহ্বায়কৰ দায়িত্বত আছিল বিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষক দোলন বৰা।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়